# সঞ্চালক, কয়লা মন্ত্ৰণালয় আৰু অন্যান্য

বনাম

# বিমলেন্দু কুমাৰ

**২৮ অক্টোবৰ, ১৯৯৬**

**(ন্যায়াধীশ কে. ৰামস্বামী আৰু জি.বি. পাটনায়ক)**

*সেৱা আইন:*

*কয়লা খনি ভৱিষ্য নিধি (কৰ্মচাৰী নিযুক্তি) নিয়মাৱলী, ১৯৮২:*

*নিয়ম ৭ — সেৱাৰ পৰা অপসাৰণ — তিনি বছৰৰ ওপৰত আৰেক্ষাকাল বৃদ্ধি নহয় — ৰায় দিয়া হৈছিল: আৰেক্ষাকাল আৰু প্ৰকৃত নিযুক্তিৰ নিশ্চতকৰণৰ কোনো স্পষ্ট আদেশ নাছিল — সেইবাবে নিশ্চয়কৈ ধৰি ল'ব লাগিব যে তিনি বছৰৰ অন্তত তেওঁ আৰেক্ষাধীন হৈয়েই আছিল — আৰেক্ষাকালৰ সন্তোষজনক সমাপন আৰু আৰেক্ষণৰ ঘোষণা হৈছে সেই পদত পৰৱৰ্তী প্ৰকৃত নিযুক্তিৰ বাবে দুটা পূৰ্বচৰ্ত, যি পদত তেওঁক আৰেক্ষণত নিযুক্তি দিয়া হৈছিল — ক্ষতিপূৰণ পৰিশোধৰ সম্পৰ্কত প্ৰদান কৰা আদেশো শুদ্ধ নহয়।*

*ওম প্ৰকাশ মৌৰ্য বনাম ইউ.পি. কোঅ'পাৰেটিভ চুগাৰ ফেক্টৰীজ ফেডাৰেশ্যন, লখনৌ আৰু অন্যান্য,* (১৯৮৬) চাপ. এছ.চি.চি. ৯৫, অপ্ৰযোজ্য বুলি ৰায় দিয়া হৈছিল।

দেৱানী আপীল ক্ষেত্ৰাধিকাৰ: **১৯৯৬ চনৰ দেৱানী আপীল নং ১৪৫৮০।**

১৯৮৯ (আৰ) চনৰ চি.ডব্লিউ.জে.চি. নং ১১১১-ত পাটনা উচ্চ ন্যায়ালয়ৰ ২৪.১১.৯৪ তাৰিখৰ ৰায় আৰু আদেশৰ পৰা।

আপীলকাৰীসকলৰ হৈ পি. পি. মালহোত্ৰা, শ্ৰীমতী ইন্দিৰা ছাহনী, দীপক দেৱান আৰু অৰবিন্দ কে. শৰ্মা।

উত্তৰদাতাৰ হৈ ব্ৰজ কে. মিশ্ৰ আৰু ইজাজ মকবূল।

আদালতৰ দ্বাৰা নিম্নলিখিত আদেশ প্ৰদান কৰা হৈছিল:

অনুমতি প্ৰদান কৰা হৈছে।

আমি পক্ষসমূহৰ হৈ বিদ্বান অধিবক্তাৰ যুক্তি শুনিছোঁ।

বিশেষ অনুমতিৰ দ্বাৰা এই আবেদন পাটনা উচ্চ ন্যায়ালয়ৰ বিভাগীয় বিচাৰপীঠে ২৪.১১.১৯৯৪ তাৰিখে এল. পি. এ. নং ৩৫/৯১-ত গৃহীত কৰা আদেশ আৰু চি. ডব্লিউ. জে. চি. নং ১১১১/৮৯-ত বিদ্বান একক ন্যায়াধীশে ২৬.২.১৯৯১ তাৰিখে গৃহীত কৰা আদেশৰ পৰাই উদ্ভৱ হৈছে।

দাখিল কৰা তথ্য অনুসৰি প্ৰতিবাদীজনক কয়লা খনি ভৱিষ্য নিধি (কৰ্মচাৰী নিযুক্তি) নিয়মাৱলী, ১৯৮২ (চমুকৈ “নিয়ম”)ৰ নিয়ম ৭(১)ৰ অধীনত অস্থায়ী পদত আৰেক্ষণত নিযুক্তি দিয়া হৈছিল। ১৯৮৯ চনৰ ১৪ মে’ত তেওঁৰ নিযুক্তি অপসাৰণ কৰা হয়, ইয়াক এই বুলি প্ৰত্যাহ্বান জনোৱা হয় যে যিহেতু নিয়মাৱলীৰ ৭(৬) নিয়মৰ অধীনত তেওঁৰ আবেক্ষণৰ সময়সীমা তিনি বছৰৰ অধিক বৃদ্ধি কৰা হোৱা নাছিল, সেইবাবে অপসাৰণৰ আদেশ আইনগতভাৱে সঠিক নহয়। বিদ্বান একক ন্যায়াধীশে ৰায় দিছিল যে তেওঁ এগৰাকী অস্থায়ী নিযুক্তিপ্ৰাপ্ত; সেয়েহে তেওঁক চাকৰিৰ পৰা অপসাৰণ কৰাটো আইনগতভাৱে ভুল। সেই অনুসৰি তেওঁ তিনি বছৰ তিনিমাহৰ বাবে দৰমহা লাভৰ অধিকাৰী। আপীলত বিদ্বান একক ন্যায়াধীশৰ আদেশ বাতিল কৰি খণ্ড বিচাৰপীঠে ৰায় দিয়ে যে প্ৰতিবাদীক স্থায়ী বুলি গণ্য কৰি ছয় বছৰৰ দৰমহাৰ সমান দৰমহা প্ৰদানৰ নিৰ্দেশ দিয়া উচিত। এইদৰে বিশেষ অনুমতিৰ দ্বাৰা এই আবেদনৰ অনুমতি দিয়া হৈছে।

প্ৰশ্ন হয় খণ্ড বিচাৰপীঠ আৰু বিদ্বান একক ন্যায়াধীশে গ্ৰহণ কৰা মতামত আইনগতভাৱে শুদ্ধ নেকি? নিয়ম ৭(১)ত উল্লেখ আছে যে প্ৰত্যক্ষ নিযুক্তিৰ দ্বাৰা কোনো পদত

নিযুক্তি পোৱা ব্যক্তিজনক, সেই পদত পৰৱৰ্তী পৰ্যায়ত প্ৰকৃত নিযুক্তিৰ লক্ষ্যৰে, দুবছৰৰ বাবে আৰেক্ষণত ৰখা হ'ব। আৰেক্ষাকাল সফলতাৰে সম্পূৰ্ণ কৰাৰ পিছত পৰৱৰ্তী পৰ্যায়ত প্ৰকৃত নিযুক্তিৰ বাবে নিয়ম ৭(৬)ত তলত দিয়া ধৰণে উল্লেখ আছে:

> "(৬) নিযুক্তি কৰ্তৃপক্ষই উপযুক্ত ক্ষেত্ৰত আৰেক্ষাকাল এবছৰতকৈ অধিক বৃদ্ধি কৰিব পাৰে, কিন্তু কোনো ব্যক্তিক কোনো পদত তিনি বছৰৰ অধিক আৰেক্ষণত ৰখা নহ'ব। আৰেক্ষাকাল বৃদ্ধিৰ ক্ষেত্ৰত কৰ্মচাৰীজনক তেওঁৰ ত্ৰুটিৰ বিষয়ে আগতীয়াকৈ অৱগত কৰা হ'ব যাতে তেওঁ উন্নতিৰ বাবে বিশেষ প্ৰচেষ্টা চলাব পাৰে।"

৭ নং নিয়মৰ উপ-নিয়ম (৭)ত আৰেক্ষাকাল সম্পূৰ্ণ হোৱাৰ পিছত আৰেক্ষণত থকা প্ৰাৰ্থীৰ নিশ্চিতকৰণৰ কথা কোৱা হৈছে। ইয়াত তলত দিয়া ধৰণে উল্লেখ কৰা আছে:

> "(৭) আৰেক্ষাকাল সম্পূৰ্ণ হোৱাৰ পিছত আৰেক্ষণত থকা প্ৰাৰ্থীৰ নিশ্চিতকৰণ স্বয়ংক্ৰিয় নহ'ব। যেতিয়ালৈকে কোনো আৰেক্ষণত থকা প্ৰাৰ্থীক নিশ্চিতকৰণ বা সন্তোষজনকভাৱে সম্পূৰ্ণ কৰাৰ কোনো নিৰ্দিষ্ট আদেশ জাৰি কৰা নহয় তেতিয়ালৈকে উপ-নিয়ম(৬)ৰ সত্ত্বেও এনে আৰেক্ষণত থকা প্ৰাৰ্থীৰ আৰেক্ষাকাল চলি থকা বুলি গণ্য কৰা হ'ব।"

নিয়ম ৭(১), ৭(৬) আৰু ৭(৭)ৰ সংযুক্ত পঠনে দেখুৱায় যে নিয়ম ৭(৬) নিয়ম ৭(১)ৰ কাৰ্য্যকলাপৰ অধীনত। আপীলকাৰীসকলৰ বাবে বিদ্বান জ্যেষ্ঠ অধিবক্তা শ্ৰীযুত পি. পি. মালহোত্ৰাই দাবী কৰা অনুসৰি এইটো নিঃসন্দেহে সঁচা যে দুবছৰৰ সময়সীমা শেষ হোৱাৰ পিছত, আপীলকাৰীয়ে আৰেক্ষণত থকা ব্যক্তিজনৰ সেৱাৰ ক্ষেত্ৰত দক্ষতা বৃদ্ধি কৰিবলৈ আৰেক্ষাকাল তিনি বছৰৰ অধিক বৃদ্ধি কৰাৰ ক্ষমতা আছে যাতে আৰেক্ষণত থকা ব্যক্তিজনে উল্লেখিত ধৰণে তেওঁৰ দক্ষতা উন্নত কৰিব পাৰে, আৰু নিশ্চিতকৰণৰ বাবে তেওঁৰ সেৱাৰ মান

উন্নত কৰিব পাৰে। কিন্তু নিয়ম ৭ৰ উপ-নিয়ম (৭)ৰ ভাষাৰ পৰিপ্ৰেক্ষিতত, নিয়ম ৭(৬)ৰ কাৰ্যকৰীকৰণ, আৰেক্ষাকাল সন্তোষজনকভাৱে সম্পূৰ্ণ হোৱাৰ পিছত কৰা নিশ্চিতকৰণৰ অধীন। এই গোচৰত, আৰেক্ষাকাল সম্পূৰ্ণ হোৱাৰ পিছত আৰেক্ষাকাল নিশ্চিত কৰাৰ আৰু পৰৱৰ্তী নিশ্চিত নিযুক্তিৰ কোনো স্পষ্ট আদেশ নাই। ধৰি ল'ব লাগিব যে তিনি বছৰৰ ম্যাদ উকলি যোৱাৰ পিছতো তেওঁ আৰেক্ষণতেই আছিল। সেয়েহে, তেওঁ নিশ্চিত আৰেক্ষণৰ ব্যক্তি বুলি ঘোষণা কৰাটো আইনগতভাৱে ভুল। বিদ্বান অধিবক্তাই *ওম প্ৰকাশ মৌৰ্য বনাম ইউ.পি. কোঅ'পাৰেটিভ চুগাৰ ফেক্টৰীজ ফেডাৰেশ্যন, লখনৌ আৰু অন্যান্য,* (১৯৮৬) চাপ. এছ.চি.চি. ৯৫- গোচৰত এই আদালতৰ সিদ্ধান্তৰ ওপৰত নিৰ্ভৰ কৰিব বিচাৰে, বিশেষকৈ, ইয়াৰ অনুচ্ছেদ ৩-ৰ ওপৰত। সেই গোচৰত, নিয়ম ৭-ৰ উপ-নিয়ম (৭)ৰ দৰে কোনো ব্যৱস্থা নাছিল। সেইটো পদোন্নতিৰ দ্বাৰা নিযুক্তিৰ সৈতে জড়িত আৰু আৰেক্ষাকাল দুবছৰ নিৰ্ধাৰণ কৰা হৈছিল। আদালতে ৰায় দিছিল যে এবাৰ দুবছৰৰ সময়সীমা শেষ হ'লে কৰ্মচাৰীজনক তেওঁৰ পূৰ্বৰ পদলৈ ঘূৰাই পঠিয়াব নোৱাৰিব আৰু পদোন্নতিপ্ৰাপ্ত ভূমিকাত স্থায়ীভাৱে নিযুক্ত বুলি গণ্য কৰা হ'ব। কিন্তু সেই সিদ্ধান্ত বৰ্তমানৰ গোচৰটোৰ ক্ষেত্ৰত প্ৰযোজ্য নহয় কাৰণ নিয়ম আৰু পৰিস্থিতি বেলেগ বেলেগ। নিয়ম ৭(১)ৰ অধীনত নিযুক্তি পোৱা আৰেক্ষণত থকা ব্যক্তিক শেষত পৃথক আদেশৰ দ্বাৰা নিশ্চিত/প্ৰকৃত নিযুক্তি দিয়া হ'ব লাগে। সেয়েহে, যি পদত তেওঁক নিযুক্ত কৰি আৰেক্ষাকালত ৰখা হৈছিল, আৰেক্ষাকালৰ সন্তোষজনক সমাপন আৰু আৰেক্ষণৰ ঘোষণা হৈছে সেই পদত পৰৱৰ্তী প্ৰকৃত নিযুক্তিৰ বাবে দুটা পূৰ্বচৰ্ত।

ওপৰৰ সেই আইনী ক্ষেত্ৰত, খণ্ড বিচাৰপীঠে গ্ৰহণ কৰা মতামত স্পষ্টভাৱে ত্ৰুটিপূৰ্ণ। নিয়মাৱলীৰ নিয়ম ৭(৭) অনুসৰি আৰেক্ষাকাল বন্ধ হোৱাৰ পৰিপ্ৰেক্ষিতত বিদ্বান একক ন্যায়াধীশে তিনি বছৰ তিনিমাহৰ বাবে ক্ষতিপূৰণ দিবলৈ নিৰ্দেশ দিয়াটোও সঠিক নাছিল।

সেই অনুসৰি আপীলৰ অনুমতি দিয়া হৈছে। লেখ আবেদন আৰু এল পি এ খাৰিজ কৰা হৈছে। কোনো খৰচ নাই।

জি. এন. আপীলৰ অনুমতি দিয়া হৈছে।

---

অনুবাদক: হৰ্ষদ্বীপ কলিতা, কনিষ্ঠ অনুবাদক, অনুবাদ শাখা, গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ’ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হব।”